# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-10-2024 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

দেশ-বিদেশৰ পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু তথা বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আজি মুকলি কৰা হৈছে। বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি আনুষ্ঠানিকভাৱে উদ্যানখন মুকলি কৰে। অনুষ্ঠানত মন্ত্ৰী অতুল বৰা আৰু কেশৱ মহন্তৰ লগতে সাংসদ কামাখ্যা প্ৰসাদ তাচা উপস্থিত থাকে। ইয়াৰ পাছতে আটাইকেইগৰাকী নেতাই ৰাষ্ট্ৰীয় উদ্যানখনত জীপ চাফাৰী কৰে।

উল্লেখযোগ্য যে যোৱা বছৰৰ ৩১ মে'ত ৰাষ্ট্ৰীয় উদ্যানখনত পৰ্যটন বৰ্ষৰ সামৰণি পৰাৰ পাছত আজি মুকলি কৰা হয়। অৱশ্যে প্ৰথম অৱস্থাত পৰ্যটকসকলৰ বাবে কেৱল জীপ ছাফাৰীৰ ব্যৱস্থা থাকিব। অহা ১ নৱেম্বৰৰ পৰা পৰ্যটকসকলে হাতী ছাফাৰীৰ সুবিধা লাভ কৰিব। আজি উদ্যোনখনৰ কাজিৰঙা বনাঞ্চল, বাগৰি বনাঞ্চল আৰু বুঢ়া পাহাৰ বনাঞ্চলৰ কিছু অংশহে পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হয়।

ইফালে আজি ওৰাং ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ প্ৰকল্পও পৰ্যটকৰ বাবে মুকলি কৰা হৈছে। ব্ৰহ্মপুত্ৰ উত্তৰ পাৰৰ এটা খৰ্গযুক্ত গঁড়ৰ বিচৰণথলী আৰু মাটিকালিৰ ক্ষেত্ৰত এছিয়াৰ ভিতৰতে বাঘৰ ঘন বসতি থকা এই উদ্যানখনৰ পথসমূহ মেৰামতি কৰি জীপ ছাফাৰীৰ বাবে উপযোগী কৰি তোলা হৈছে। এইবাৰ পৰ্যটকসকলৰ সুবিধাৰ্থে বন বিভাগে নিজাকৈ ছটা কোঠাৰ ইকো কেম্প মুকলি কৰিছে।

oooo

জম্মু-কাশ্মীৰত আজি তৃতীয় তথা চূড়ান্ত পৰ্যায়ৰ বিধান সভাৰ নিৰ্বাচনৰ ভোটগ্ৰহণৰ প্ৰথম দুঘণ্টাত ১১ দশমিক ৬ - ০ শতাংশ ভোটদান সম্পন্ন হৈছে। আমাৰ সংবাদদাতাই জানিবলৈ দিয়া অনুসৰি জনসাধাৰণে নিজৰ ভোটৰ অধিকাৰ সাব্যস্ত কৰাৰ বাবে পুৱাৰে পৰা দীঘলীয়া শাৰী পতা পৰিলক্ষিত হৈছে। কটকটীয়া নিৰাপত্তা বেষ্টনিৰ মাজত ৭ খন জিলাৰ ৪০টা বিধানসভা সমষ্টিৰ বাবে ৫ হাজাৰ ৬০ টা কেন্দ্ৰত ভোটদান অব্যাহত আছে। পুৱা ৭ বজাৰ পৰা আৰম্ভ হোৱা এই ভোটগ্ৰহণ প্ৰক্ৰিয়া সন্ধিয়া ৬ বজাত সমাপ্ত হ'ব। ভোটদাতাৰ বাবে প্ৰতিটো ভোটকেন্দ্ৰত ন্যূনতম মৌলিক সুবিধা সুনিশ্চিত কৰা হৈছে আৰু ভোটকেন্দ্ৰসমূহত ২০ হাজাৰতকৈ অধিক প'লিং বিষয়া নিয়োগ কৰা হৈছে। কাশ্মীৰৰ সংমণ্ডলৰ বাৰামুল্লা, কুপৱাৰা, বাণ্ডিপুৰা আৰু জম্মু সংমণ্ডলৰ জম্মু, উধমপুৰ, কাঠুৱা আৰু ছাম্বা জিলাত ৬০টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। অন্তিম পৰ্যায়ত ৩৯ লাখৰো অধিক ভোটাৰে সৰ্বমুঠ ৪১৫ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব।

উল্লেখযোগ্য যে ১৮ ছেপ্তেম্বৰত অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত ৬১ দশমিক ৩-৮ শতাংশ ভোটদান হোৱাৰ বিপৰীতে ২৫ ছেপ্তেম্বৰত অনুষ্ঠিত দ্বিতীয় পৰ্য্যায়ৰ নিৰ্বাচনত ৫৭ শতাংশ ভোটদান সম্পন্ন হৈছিল। হাৰিয়ানাৰ সৈতে অহা ৮ অক্টোবৰত জম্মু-কাশ্মীৰ বিধানসভা নিৰ্বাচনৰো ভোট গণনা সম্পন্ন হ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জম্মু আৰু কাশ্মীৰৰ তৃতীয় তথা চূড়ান্ত পৰ্যায়ৰ সকলো ভোটাৰকে ভোটদান প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছিল। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী মোদীয়ে আস্থা প্ৰকাশ কৰি কয় যে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া যুৱ প্ৰজন্ম আৰু মহিলাসকলে ব্যাপক পৰিমাণত ভোটদান কৰিব।

oooooo

সমগ্ৰ ৰাজ্যতে আজি অসম আৰক্ষী দিৱস উদযাপন কৰা হৈছে। এই উপলক্ষে শোণিতপুৰত আয়োজন কৰা দিৱসৰ কাৰ্যসূচীত জিলা আৰক্ষী অধীক্ষকগৰাকীয়ে অংশগ্ৰহণ কৰি প্ৰতিকুল পৰিস্থিতিৰ মাজতো জনসাধাৰণৰ সেৱাৰ বাবে আৰক্ষীয়ে নিৰন্তৰ কাম কৰি যাব বুলি মত প্ৰকাশ কৰে। ইফালে, ৰাজ্যৰ আন আন জিলাৰ লগতে দক্ষিণ শালমাৰা মানকাচৰ জিলাতো আজি অসম আৰক্ষী দিৱস

উদযাপন কৰা হৈছে। এই উপলক্ষে জিলাৰ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত পতাকা উত্তোলন কৰাৰ পাছত আৰক্ষীৰ জোৱানসকলক শপত বাক্য পাঠ কৰোৱা হয়।

০০০০০০০০

ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া হিচাপে বৰপেটা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক, বৰপেটা প্ৰেছ ক্লাবৰ প্ৰাক্তন সভাপতি ড° বাবুল চন্দ্ৰ দাসক নিৰ্বাচিত কৰা হৈছে। বৰপেটা সত্ৰ পৰিচালনা সমিতিৰ কাৰ্যকাল উকলি যোৱাৰ লগতে পূৰ্বৰ বুঢ়া সত্ৰীয়া বশিষ্ঠ কুমাৰ শৰ্মাৰ পৰলোকপ্ৰাপ্তিৰ পাছত কালি ১৫ টা সমষ্টিৰে গঠিত পৰিচালনা সমিতিৰ সদস্য আৰু বুঢ়া সত্ৰীয়া পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হয়। উল্লেখযোগ্য যে ১৯৩৫ চনৰ পৰা বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া, ডেকা সত্ৰীয়া আৰু সত্ৰ পৰিচালনা সমিতিৰ নিৰ্বাচন অনুষ্ঠিত হৈ আহিছে।

০০০০০০০০

ৰাষ্ট্ৰীয় ৰক্তদান দিৱসৰ সৈতে সংগতি ৰাখি মঙলদৈ অসামৰিক চিকিৎসালয়ৰ ৰক্ত কেন্দ্ৰৰ উদ্যোগত আজি নগৰখনৰ মাজেৰে এটা সজাগতা শোভাযাত্ৰা উলিওৱা হয়। জিলাৰ ভাৰপ্ৰাপ্ত যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ ৰমেশ গোস্বামীয়ে এই শোভাযাত্ৰা মুকলি কৰে।

০০০০০০০০

ভাৰত আৰু বাংলাদেশৰ মাজত অনুষ্ঠিত হৈ থকা টেষ্ট শৃংখলাৰ দ্বিতীয়খন খেলত আজি অন্তিম দিনা বাংলাদেশে কালি ২ উইকেট ২৬ ৰান সংগ্ৰহ কৰি থকাৰ পৰা নিজৰ খেল আৰম্ভ কৰি আমালৈ বাতৰি অহাৰ পৰলৈকে ৯ টা উইকেট হেৰুৱাই ২৩৫ ৰান সংগ্ৰহ কৰিছে।

ইয়াৰ পূৰ্বে ভাৰতে কালি ৯ উইকেট হেৰুৱাই ২৮৫ ৰান সংগ্ৰহ কৰাৰ পাছত প্ৰথম ইনিংছ সমাপ্তিৰ ঘোষণা কৰিছিল।

উল্লেখযোগ্য যে কালি ভাৰতীয় দলটোৱে টেষ্ট ক্ৰিকেটৰ ইতিহাসত দ্ৰুততম ৰান সংগ্ৰহৰ কেইবাটাও অভিলেখ স্থাপন কৰে। যশস্বী জয়ছোৱালে ৩১টা বলত ৫০ ৰান সংগ্ৰহ কৰে, যিটো ভাৰতীয় অপেনাৰৰ সৰ্বাধিক দ্ৰুততম অৰ্ধশতক।

০০০০০০০০

**সমাপ্ত**